# দৰঙত বিশ্ব চিকল চেল দিৱস

**ষ্টাফ ৰিপৰ্টাৰ, দৰং, ১৯ জুন ঃ** ৰাজ্যৰ আন জিলাসমূহৰ লগতে আজি দৰং জিলাতো বিশ্ব চিকল চেল দিৱসৰ কাৰ্যসূচী উদ্‌যাপন কৰা হয়। এই দিৱসৰ লগত সংগতি ৰাখি জলজলী খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ অধীনৰ ১নং অভয়পুখুৰী আয়ুষ্মান আৰোগ্য মন্দিৰত অনুষ্ঠিত শিবিৰত চিকল চেল এনিমিয়াৰ পৰীক্ষা কৰা হয়। তদুপৰি ৰাইজে এই বিশেষ স্বাস্থ্য সেৱা শিবিৰত স্ত্ৰীৰোগ বিশেষজ্ঞ আৰু শিশু বিশেষজ্ঞৰ দ্বাৰা স্বাস্থ্য পৰীক্ষা কৰাৰ সুবিধা লাভ কৰাৰ লগতে অসংক্ৰামক ৰোগৰ পৰীক্ষা, ৰক্ত পৰীক্ষা, আন বিভিন্ন সুবিধা লাভ কৰে। স্বাস্থ্য বিভাগৰ বিভিন্ন আঁচনি আৰু চিকল চেল ৰোগ সন্দৰ্ভত উপস্থিত ৰাইজক অৱগত কৰা হয়। প্ৰায় ডেৰ শতাধিকে স্বাস্থ্য পৰীক্ষাৰ সুবিধা লাভ কৰা এই শিবিৰটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে দৰং জিলাৰ স্বাস্থ্য বিভাগৰ দায়িত্বত থকা অতিৰিক্ত জিলা আয়ুক্ত গৌৰীপ্ৰিয়া দেউৰীয়ে। বিশেষজ্ঞ চিকিৎসকৰ উপৰি কেইবাগৰাকীও সামূহিক স্বাস্থ্য বিষয়াই শিবিৰটোত সেৱা আগবঢ়ায়। শিবিৰত স্বাস্থ্য বিভাগ আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ জিলা আৰু খণ্ড পৰ্যায়ৰ বিষয়া-কৰ্মচাৰী, আশা তথা অন্যান্য লোক উপস্থিত থাকে। ইফালে, বিশ্ব চিকল চেল দিৱসৰ লগত সংগতি ৰাখি জিলাখনৰ বিভিন্ন চিকিৎসালয়ৰ অধীনত সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত হয়। জিলাখনত সৰ্বমুঠ ৫৮খন সজাগতা সভা অনুষ্ঠিত হয় আৰু এই সজাগতা সভাত হাজাৰৰো অধিক লোকে অংশগ্ৰহণ কৰে।